**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 16-DEC-2025
**Time :** 0755 Hrs

***Assamese Morning Bulletin***

———————————————

কামৰূপ মহানগৰ জিলাৰ মুখ্য ন্যায়িক দণ্ডাধীশৰ আদালতত আজি জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰৰ অভিযোগনামা দাখিলৰ পাছত প্ৰথমটো শুনানী গ্ৰহণ কৰা হ'ব। সাতোগৰাকী অভিযুক্তক আজি আদালতত ভাৰ্চুৱেলী হাজিৰ কৰোৱা হ'ব। চৰকাৰী পক্ষৰ আবেদনৰ ভিত্তিত মুখ্য ন্যায়িক দণ্ডাধীশে অভিযুক্তকেইগৰাকীক ভাৰ্চুৱেলী হাজিৰ কৰাৰ অনুমতি প্ৰদান কৰে। উল্লেখযোগ্য যে আদালতৰ নিয়ম অনুসৰি প্ৰথমটো শুনানীৰ পূৰ্বে আটাইকেইগৰাকী অভিযুক্তক আদালতত অভিযোগনামাৰ প্ৰতিলিপি দিয়া হয়। বাক্সাৰ নিকাছী কাৰাগাৰত জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰৰ মূল অভিযুক্ত সিদ্ধাৰ্থ শৰ্মা, শ্যামকানু মহন্ত, সন্দীপন গাৰ্গৰ লগতে পৰেশ বৈশ্য আৰু নন্দেশ্বৰ বৈশ্যক ৰখা হৈছে। আনহাতে, আন দুজন অভিযুক্ত শেখৰজ্যোতি গোস্বামী আৰু অমৃতপ্ৰভা মহন্ত হাফলঙৰ কাৰাগাৰত আছে।

০০০০০০

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি লামডিং সমষ্টিৰ ২৫ হাজাৰতকৈও অধিক মহিলা হিতাধিকাৰীক উদ্যমিতা আঁচনিৰ চেক বিতৰণ কৰিব। হোজাইৰ শ্ৰীমন্ত শংকৰদেৱ নগৰৰ খেলপথাৰত  হ'বলগীয়া এই কাৰ্যসূচীৰ বাবে সকলো প্ৰস্তুতি সম্পূৰ্ণ কৰা হৈছে। অনুষ্ঠানত জিলাখনৰ অভিভাৱক মন্ত্ৰী কেশৱ মহন্ত উপস্থিত থাকিব।

০০০০০০

ৰাজ্যৰ বিভিন্ন বিদ্যালয়ত ছাত্ৰ-ছাত্ৰীৰ অনুপস্থিতি হ্ৰাস কৰাৰ বাবে সৰ্বশিক্ষা অভিযানে স্বয়ংক্ৰিয় SMS সতৰ্কতা ব্যৱস্থা আৰম্ভ কৰিছে। বিদ্যালয়ত অনুপস্থিত থকা ছাত্ৰ-ছাত্ৰীসকলক বিদ্যালয়লৈ ঘূৰাই অনাৰ বাবে সৰ্বশিক্ষা অভিযানে এই পদক্ষেপ লৈছে। শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে কালি আনুষ্ঠানিকভাৱে এই স্বয়ংক্ৰিয় SMS সতৰ্কতা ব্যৱস্থা মুকলি কৰে। এই ব্যৱস্থাৰ জৰিয়তে একেৰাহে পাঁচদিন ধৰি বিদ্যালয়ত উপস্থিত নথকা ছাত্ৰ-ছাত্ৰীসকলৰ অভিভাৱকলৈ বিশেষ বাৰ্তা প্ৰেৰণ কৰা হ'ব। এই সতৰ্কবাণীসমূহ নিৰ্দিষ্ট পাঁচদিনৰ ব্যৱধানত স্বয়ংক্ৰিয়ভাৱে সৃষ্টি কৰা হ'ব আৰু বিদ্যালয়ত উপস্থিত নথকা ছাত্ৰ বা ছাত্ৰীগৰাকী পুনৰ বিদ্যালয়ত উপস্থিত নোহোৱা পৰ্যন্ত চলি থাকিব। এই মেছেজসমূহ একেলগে দুজন মূল অংশীদাৰলৈ প্ৰেৰণ কৰা হ'ব। বিদ্যালয়ৰ শ্ৰেণী শিক্ষকসকলে সংশ্লিষ্ট শিক্ষাৰ্থীৰ নাম, শ্ৰেণী আদি স্পষ্টভাৱে উল্লেখ থকা বাৰ্তা লাভ কৰিব। ইয়াৰ জৰিয়তে তেওঁলোকে ছাত্ৰ-ছাত্ৰীসকলক বিদ্যালয়লৈ ঘূৰাই আনিবলৈ অভিভাৱকৰ সৈতে যোগাযোগ কৰিব পাৰিব। অভিভাৱকসকলে তেওঁলোকৰ সন্তানৰ অনুপস্থিতি সন্দৰ্ভত প্ৰত্যক্ষ বা পৰোক্ষভাৱে সংক্ষিপ্ত বাৰ্তা বাৰে বাৰে লাভ কৰি থাকিব। এই বাৰ্তাসমূহ অসমীয়া, বাংলা, বড়ো, হিন্দী আৰু ইংৰাজীত প্ৰেৰণ কৰা হ'ব। স্বয়ংক্ৰিয় SMS সতৰ্কতা ব্যৱস্থা মুকলি কৰি শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে সংবাদ মাধ্যমৰ আগত এইদৰে কয় –

**বাইট**

০০০০০০

ডিব্ৰুগড়ৰ মিলনজ্যোতি সংঘৰ উদ্যোগত আৰু অসম পুথি প্ৰকাশক আৰু বিক্ৰেতা সংস্থাৰ সহযোগত অনুষ্ঠিত চতুৰ্দশ ডিব্ৰুগড় গ্ৰন্থমেলাৰ কালি চতুৰ্থ দিনা কেইবাটাও কাৰ্যসূচী অনুষ্ঠিত হয়। কালি মানকতা শতদল শাখা সাহিত্য সভাৰ বাৰেৰহনীয়া অনুষ্ঠান আৰু অসমভিত্তিক জুবিন গাৰ্গ সোঁৱৰণী অনুগল্প প্ৰতিযোগিতাৰ পুৰস্কাৰসমূহ প্ৰদান কৰা হয়। ইয়াৰ পাছতে অধ্যাপক নগেন শইকীয়া সাৰস্বত ন্যাস পৰিষদৰ উদ্যোগত আৰু শ্ৰীশ্ৰীঅনিৰুদ্ধদেৱ ক্ৰীড়া

বিশ্ববিদ্যালয়ৰ সহযোগত লাৱন্য শইকীয়া সোঁৱৰণী বক্তৃতা অনুষ্ঠান আৰু গ্ৰন্থ উন্মোচনী অনুষ্ঠান অনুষ্ঠিত হয়। অসমীয়া গীতি সাহিত্যত **নাৰীৰ ভাৱনাৰ প্ৰতিফলন** শীৰ্ষক বিষয়ত সাহিত্যচাৰ্য ড০ কৰবী ডেকা হাজৰিকাই বক্তৃতা আগবঢ়ায়। এই অনুষ্ঠানত কেইবাখনো গ্ৰন্থ উন্মোচন কৰা হয়। ইয়াৰ লগতে ছাত্ৰ-ছাত্ৰীসকলে বাৰেৰহনীয়া সাংস্কৃতিক অনুষ্ঠান পৰিৱেশন কৰে।

০০০০০০

লখিমপুৰৰ ঢকুৱাখনাত কালি ভাৰতীয় জনতা যুৱ মৰ্চাৰ ঢকুৱাখনা জিলা সমিতিৰ উদ্যোগত এখন বিশেষ সাংগঠনিক সভা অনুষ্ঠিত হয়। জিলা যুৱ মৰ্চাৰ বিষয়ববীয়া আৰু মণ্ডলৰ বিষয়ববীয়াক লৈ অনুষ্ঠিত সাংগঠনিক সভাখনত যুৱ মৰ্চাৰ ৰাজ্যিক সভাপতি ৰাকেশ দাসে অংশগ্ৰহণ কৰে।

০০০০০০

সমাজ কল্যাণ বিভাগৰ অধীনত ২৫ লাখ টকা ব্যয় সাপেক্ষে নৱনিৰ্মিত আছাবাম চাহ বাগিচা আদৰ্শ অংগনৱাড়ী কেন্দ্ৰটো কালি নাহৰকটীয়া সমষ্টিৰ বিধায়ক তৰংগ গগৈয়ে মুকলি কৰে। অংগনৱাড়ী কেন্দ্ৰ স্থাপনৰ যোগেদি সমাজ কল্যাণ বিভাগে শিশুসকলৰ মাজত শিক্ষাৰ পোহৰ বিলোৱাৰ লগতে তেওঁলোকৰ স্বাস্থ্য সমন্ধীয় বিভিন্ন দিশৰ যত্ন লৈ আহিছে। বিধায়কগৰাকীয়ে আছাবামত কালি মুকলি কৰা অংগনৱাড়ী কেন্দ্ৰটোৰ যোগেদি অঞ্চলটোৰ শিশুসকল উপকৃত হ'ব বুলি মন্তব্য কৰে।

০০০০০০

**সমাপ্ত**